# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

—————————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ অংশ স্বৰূপে প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ পৰা নুমলীগড়লৈকে নিৰ্মাণ হ'বলগীয়া ৪ লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কলিয়াবৰৰ মৌচন্দা পথাৰত এখন বিশাল জনসভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীয়ে জনসভাত অংশগ্ৰহণ কৰিবলগীয়া মৌচন্দা পথাৰত কালি নিশা উপস্থিত হৈ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে সেই স্থানত মন্ত্ৰী কেশৱ মহন্ত আৰু পীযূষ হাজৰিকাও উপস্থিত থাকে।

ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি সৰুপথাৰত ৭২ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ড° শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰে। তেওঁ লগতে অসম মালাৰ অধীনত ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। কালি লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকে।

০০০০০০

শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ ৮৩০ হেক্টৰ ভূমিত কালি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। তেজপুৰ সদৰ ৰাজহ চক্ৰ আৰু ঠেলামৰা ৰাজহ চক্ৰৰ অধীনৰ জামুকতল, আৰিমাৰি, চিয়ালিচৰ, বাঘেটাপু, লাঠীমাৰী চৰকে ধৰি কেইবাটাও অঞ্চল দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে অঞ্চলটোত আজি অভিযান চলাব। একালত জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ আৰু দুষ্প্ৰাপ্য উলুম'ৰা পক্ষীৰ বাবে বিখ্যাত অভয়াৰণ্যখনৰ একাংশ দখলকাৰীৰ কবলত পৰিছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যজুৰি কালি আৰম্ভ হোৱা বিজেপিৰ দেৱাল লিখন কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই খানাপাৰাত শুভাৰম্ভ কৰে। দেৱাল লিখন সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেৱালৰ গৰাকীৰ অনুমতি সাপেক্ষেহে দলৰ চিহ্ন অংকন কৰা হ'ব। ইয়াৰ ফলত গণ-সংযোগৰ মাধ্যমেৰে প্ৰচাৰ অভিযান চলাব পৰা যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দলীয় প্ৰতীক চিহ্ন দেৱালত অংকন কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিভিন্ন স্তৰৰ দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়, যে বিজেপিৰ প্ৰতিগৰাকী কৰ্মী সেৱা আৰু সমৰ্পনৰ প্ৰতি দায়বদ্ধ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ধেমাজি আৰু ঢকুৱাখনা  বিধানসভা সমষ্টিত আয়োজিত দুখনকৈ জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া দেউৰীবিল পথাৰ আৰু ঘিলামৰা ব্লক ফিল্ডৰ সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত শীতপ্ৰবাহে জনজীৱন একপ্ৰকাৰ স্থবিৰ কৰি তুলিছে। মৰিগাওঁ জিলাতো শীতপ্ৰবাহে স্থবিৰ কৰি তুলিছে প্ৰাত্যহিক জনজীৱন। ইয়াৰ পৰিপ্ৰেক্ষিতত মৰিগাওঁ জিলাৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় জিলা প্ৰশাসনে আজি বন্ধ ঘোষণা কৰিছে।

০০০০০০

শিৱসাগৰ জিলাৰ গৌৰীসাগৰ বৰপাত্ৰদল উচ্চ মাধ্যমিক বিদ্যালয়ত কালি বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ সন্দৰ্ভত এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, স্থানীয় ৰাইজ তথা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়ববীয়াসকলৰ উপস্থিতিত সজাগতা ৰেলী উলিওৱা হয়। সমাজকৰ্মী গীতালী দেৱী ৰচিত **সপোনবোৰ নাভাঙিবি** শীৰ্ষক এখন বাটৰ নাটো কালুগাঁৱৰ আন্তল চাৰিআলিত প্ৰদৰ্শন কৰা হয়।

০০০০০০

শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগাৰ মহাভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু মৰাণছিগাবাসীৰ সহযোগত কালিৰেপৰা ৯ জানুৱাৰীলৈ প্ৰথমবাৰৰ বাবে সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই উপলক্ষে কালি পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গছপুলি ৰোপণ, প্ৰতিযোগিতাৰ আসন প্ৰতিষ্ঠা, শৰাই অৰ্পণ, কীৰ্তন পাঠ আদি কৰা হয়। সন্ধিয়া প্ৰথম দিনাৰ ভাওনাত গোলাঘাটৰ সাৰংগপানী শিল্পী সমাজৰ দ্বাৰা ‘ভাতৃবধু’ নাট পৰিৱেশন কৰা হয়। ইয়াৰ পাছতে মৰাণহাটৰ বকুলবন নাট্যগোষ্ঠীয়ে ‘ৰাম পৰাজয়, সীতাৰ পাতাল গমন’ নাট পৰিৱেশন কৰে। আজি শিৱসাগৰৰ কুহেলিকা নাট্যগোষ্ঠীয়ে সিন্ধুমণিৰ পিতৃ ভক্তি, দশৰথৰ স্বৰ্গ উদ্ধাৰ আৰু দুলীয়াজানৰ আলোক সমন্বয় নাট্য গোষ্ঠীয়ে দক্ষ যজ্ঞ নাট পৰিৱেশন কৰে। ৯ জানুৱাৰীত সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ’ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**